# যোগ্যতাৰ মাপকাঠি

ইণ্ডিয়া ফাউণ্ডেশ্যন ফৰ দ্য আৰ্টছ (আই.এফ.এ.)য়ে বিভিন্ন কাৰ্য্যক্ৰমৰ অধীনত প্ৰকল্পসমূহ ৰূপায়ণ কৰি আহিছে। এনে কাৰ্য্যক্ৰমত আবেদনৰ বাবে যোগ্যতাৰ মাপকাঠি তলত দিয়া ধৰণৰ:

- কেৱল ভাৰতীয় নাগৰিকে আবেদন কৰিব পাৰিব। ভাৰতীয় মূলৰ ব্যক্তি (পাৰ্ছন অৱ ইণ্ডিয়ান অৰিজিন চমুকৈ পি.আই.অ') আৰু প্ৰৱাসী ভাৰতীয় নাগৰিক (অভাৰছীজ চিটিজেন অৱ ইণ্ডিয়া চমুকৈ অ'.চি.আই.) কাৰ্ডৰ অধিকাৰীয়ে আবেদন কৰিব নোৱাৰিব।
- আবেদনকাৰীৰ পান (PAN) কাৰ্ডৰ লগতে ভাৰতীয় পাৰপত্ৰ বা আধাৰ কাৰ্ড বা ভাৰতীয় ভোটাৰ পৰিচয় পত্ৰৰ যিকোনো এখন চিনাক্তকৰণৰ নথি থাকিব লাগিব।
- কেৱল ব্যক্তিয়েহে আবেদন কৰিব পাৰে। কোনো ধৰণৰ সংস্থাই (জনসেৱামূলক স্কুলৰ বাহিৰে, যিয়ে কলা শিক্ষা কাৰ্য্যসূচীৰ 'ৰাষ্ট্ৰীয় বিদ্যালয় প্ৰকল্প' শিতানৰ অধীনত আবেদন কৰিব পাৰিব) আবেদন কৰিব নোৱাৰিব।
- প্ৰকল্পত যদি কোনো সহযোগী আছে, তেন্তে সেই সহযোগী ব্যক্তিসকল ভাৰতীয় নাগৰিক হ'ব লাগিব।
- প্ৰকল্পৰ কোনো সহযোগীয়ে যদি পূৰ্বতে আই.এফ.এ.ৰ বিত্তীয় নিয়মাৱলী উলংঘা কৰিছে, তেন্তে তেনে ব্যক্তিক যোগ্য বুলি বিবেচনা কৰা নহ'ব।
- আই.এফ.এ.ৰ পৰা পূৰ্বে লাভ কৰা অনুদানৰ অধীনত প্ৰাপ্ত সন্মতিযুক্ত প্ৰদানযোগ্য সামগ্ৰী জমা দিয়াত অসমৰ্থজনক যোগ্য বুলি বিবেচনা কৰা নহ'ব।
- আই.এফ.এ.ৰ পৰা আবেদনৰ ক্ষেত্ৰত ইয়াৰ আগেয়ে কোনো কাৰণত ভৱিষ্যতৰ বাবে অনুমতিৰ নিষেধাজ্ঞাৰ পত্ৰ লাভ কৰা ব্যক্তিক যোগ্য বিবেচনা কৰা নহ'ব।
- বৰ্তমান আই.এফ.এ.ৰ দ্বাৰা ৰূপায়ণৰ পৰ্য্যায়ত থকা প্ৰকল্পত কৰ্মৰত ব্যক্তিয়ে আবেদন কৰিব নোৱাৰিব।
- যুটীয়া খাতা থকাৰ ক্ষেত্ৰত একাধিক ব্যক্তিয়ে আবেদন কৰিব পাৰিব। যদি যুটীয় খাতা নাই, তেন্তে তেওঁলোকৰ মাজৰ কেৱল এজনে আন ব্যক্তিৰ সৈতে সহযোগী হিচাপে আবেদন কৰা উচিত।

***